**NSD NEWS BULLETIN**
**ALL INDIA RADIO, GUWAHATI**
**0000000000**

**Date :** 03-01-2026
**Time :** 0705 HRS.

ASSAMESE MORNING BULLETIN

**HEADLINES**

**::::::::::::::::::**

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি নতুন দিল্লীৰ ৰায় পিথোৰা সাংস্কৃতিক চৌহদত পৱিত্ৰ পিপ্ৰাহৱা অৱশেষৰ প্ৰদৰ্শনী উদ্বোধন কৰিব।

২। নিৰ্বাচন আয়োগে ভোটাৰ তালিকাত অবৈধভাৱে ভুৱা ভোটাৰৰ নাম অন্তৰ্ভুক্ত কৰাৰ অভিযোগত বৰ্খাস্ত কৰা পশ্চিমবংগৰ পাঁচজন বিষয়াৰ বিৰুদ্ধে এজাহাৰ দাখিল কৰিবলৈ সংশ্লিষ্ট জিলা নিৰ্বাচন কৰ্তৃপক্ষক নিৰ্দেশ দিছে।

৩। মাদক দ্ৰব্য নিয়ন্ত্ৰণ ব্যুৰ'ই ভাৰতীয় যাত্ৰীসকলক ছৌদি আৰৱ ভ্ৰমণৰ পূৰ্বে যিকোনো ঔষধ নিয়াৰ বাবে আৱশ্যকীয় অনুমতি ল'বলৈ পৰামৰ্শ দিছে।

৪। আছাম ৰাইফলছে ভাৰত-ম্যানমাৰ সীমান্তত অভিযান চলাই বুজন পৰিমাণৰ মেথামফেটামাইন টেবলেটসহ এজন সৰবৰাহকাৰীক আটক কৰে। *আৰু*

৫। দক্ষিণ আফ্ৰিকাৰ বেননীত আজি ভাৰত আৰু দক্ষিণ আফ্ৰিকাৰ ১৯ বছৰ অনূৰ্ধ দলৰ মাজত প্ৰথমখন এদিনীয়া আন্তঃৰাষ্ট্ৰীয় খেল অনুষ্ঠিত হ'ব।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি নতুন দিল্লীৰ ৰায় পিথোৰা সাংস্কৃতিক চৌহদত পৱিত্ৰ পিপ্ৰাহৱা অৱশেষৰ প্ৰদৰ্শনী উদ্বোধন কৰিব। সামাজিক মাধ্যমৰ এটা বাৰ্তাত শ্ৰীমোদীয়ে কয় যে ভগৱান বুদ্ধৰ মহান বাণীসমূহ অধিক জনপ্ৰিয় কৰি তোলাৰ ক্ষেত্ৰত তেওঁৰ চৰকাৰ প্ৰতিশ্ৰুতিবদ্ধ। যুৱ প্ৰজন্মৰ মাজত দেশৰ চহকী সংস্কৃতিক অধিক জনপ্ৰিয় কৰাৰ বাবে চৰকাৰে বিভিন্ন প্ৰয়াস চলাই আহিছে। শ্ৰীমোদীয়ে কয় যে পিপ্ৰাহৱাৰ এই প্ৰামাণিক অৱশেষ আৰু প্ৰত্নতাত্বিক সামগ্ৰীসমূহ নতুন দিল্লীৰ ৰাষ্ট্ৰীয় সংগ্ৰহালয় আৰু কলকাতাৰ ভাৰতীয় সংগ্ৰহালয়ত সংৰক্ষণ কৰি ৰক্ষা হৈছে।

উল্লেখযোগ্য যে ঊনবিংশ শতিকাৰ শেষ ভাগত আৱিষ্কৃত পিপ্ৰাহৱা অৱশেষ শাক্য বংশৰ প্ৰতিষ্ঠাতা গৌতম বুদ্ধৰ সৈতে জড়িত বুলি বিশ্বাস প্ৰচলিত হৈ আহিছে। এই অৱশেষৰ স্বদেশলৈ প্ৰত্যাৱৰ্তন আৰু ৰাজহুৱা প্ৰদৰ্শনীয়ে দেশৰ সাংস্কৃতিক ঐতিহ্যৰ সংৰক্ষণ আৰু বুদ্ধৰ শিকণিসমূহত নিহিত শান্তি, কৰুণা আৰু জ্ঞানৰ সাৰ্বভৌম প্ৰমূল্যৰাজি প্ৰসাৰৰ নিৰন্তৰ প্ৰচেষ্টাকে প্ৰতিফলিত কৰে।

সাংস্কৃতিক মন্ত্ৰালয়ে এই প্ৰদৰ্শনীক দেশৰ সাংস্কৃতিক আৰু কূটনৈটিক ইতিহাসৰ এটা উল্লেখযোগ্য ক্ষণ বুলি অভিহিত কৰিছে। বিশ্বৰ বৌদ্ধ ধৰ্মাৱলম্বী লোকসকলে এই অৱশেষক বিশেষ সন্মান দি আহিছে। সাংস্কৃতিক মন্ত্ৰালয়ে পদ্মালোকঃ আধ্যাত্মিকভাৱে জাগ্ৰত ব্যক্তিৰ অৱশেষ নামেৰে আয়োজন কৰা এই সাস্কৃতিক প্ৰদৰ্শনীত পিপ্ৰাহৱা অৱশেষৰ সৈতে জড়িত গুৰুত্বপূৰ্ণ সামগ্ৰী প্ৰদৰ্শন কৰা হ'ব।

০০০০০

নিৰ্বাচন আয়োগে ভোটাৰ তালিকাত অবৈধভাৱে ভুৱা ভোটাৰৰ নাম অন্তৰ্ভুক্ত কৰাৰ অভিযোগত বৰ্খাস্ত কৰা পশ্চিমবংগৰ পাঁচজন বিষয়াৰ বিৰুদ্ধে এজাহাৰ দাখিল কৰিবলৈ সংশ্লিষ্ট জিলা নিৰ্বাচন কৰ্তৃপক্ষক নিৰ্দেশ দিছে। ৰাজ্যিক মুখ্য নিৰ্বাচনী বিষয়াৰ কাৰ্যালয়ে প্ৰকাশ কৰা অনুসৰি বাৰুইপুৰ পূব বিধানসভা সমষ্টিৰ নিৰ্বাচনী পঞ্জীয়ন বিষয়া দেৱোত্তম দত্ত চৌধুৰী, সহকাৰী নিৰ্বাচনী পঞ্জীয়ন বিষয়া তথাগত মণ্ডল, মইনা বিধানসভা সমষ্টিৰ নিৰ্বাচনী পঞ্জীয়ন বিষয়া বিপ্লৱ সৰকাৰ, সহকাৰী নিৰ্বাচনী পঞ্জীয়ন বিষয়া সুদীপ্ত দাস আৰু ডাটা এণ্ট্ৰি অপাৰেটৰ সুৰজিত হালদাৰৰ বিৰুদ্ধে অপৰাধজনিত গোচৰ ৰুজু কৰিবলৈ নিৰ্দেশ দিয়া হৈছে। ইয়াৰ পূৰ্বে নিৰ্বাচন আয়োগে বিষয়াকেইগৰাকীজনক বৰ্খাস্ত কৰি ৰাজ্যখনৰ মুখ্য সচিবক তেওঁলোকৰ বিৰুদ্ধে এজাহাৰ দাখিল কৰাটো নিশ্চিত কৰিবলৈ নিৰ্দেশ দিছিল। কিন্তু বিষয়াকেইগৰাকীক বৰ্খাস্ত কৰাৰ পাছতো পশ্চিমবংগ চৰকাৰে এজাহাৰ দাখিল নকৰাত নিৰ্বাচন আয়োগে নিজাববীয়া গোচৰ ৰুজু কৰি জিলা দণ্ডাধীশক বিষয়াকেইগৰাকীৰ বিৰুদ্ধে এজাহাৰ দাখিল কৰিবলৈ পোনপটীয়া নিৰ্দেশ দিয়ে।

০০০০০

মাদক দ্ৰব্য নিয়ন্ত্ৰণ ব্যুৰ’- এন চি বিয়ে ভাৰতীয় যাত্ৰীসকলক ছৌদি আৰৱ ভ্ৰমণৰ পূৰ্বে নিজৰ লগত যিকোনো ঔষধ নিয়াৰ বাবে আৱশ্যকীয় অনুমতি ল’বলৈ পৰামৰ্শ দিছে। ছৌদি আৰৱে শেহতীয়াকৈ দেশখনত প্ৰৱেশ কৰা অথবা দেশখনৰ পৰা বাহিৰলৈ যোৱা ব্যক্তিৰ ব্যক্তিগত ব্যৱহাৰৰ বাবে ঔষধ লৈ যোৱাৰ ক্ষেত্ৰত পূৰ্বে অনুমতি লাভ কৰা হৈছে নে নাই সেয়া জনাৰ বাবে ইলেকট্ৰনিক সেৱা মঞ্চ আৰম্ভ কৰাৰ পাছতে এন চি বিয়ে এই পৰামৰ্শ দিয়ে। এন চি বিয়ে প্ৰকাশ কৰা মতে ভাৰত বা অন্য দেশত আইনগতভাৱে উপলব্ধ নিৰ্দিষ্ট কিছু ঔষধ ছৌদি আৰৱত নিষিদ্ধ হ’ব পাৰে। নিৰ্ধাৰিত হিচাবতকৈ অধিক পৰিমাণৰ ঔষধ নিয়া যিকোনো ব্যক্তিৰ বিৰুদ্ধে দেশখনত নিৰ্ণায়ক ব্যৱস্থা গ্ৰহণ কৰা হ’ব পাৰে বুলি এন চি বিয়ে উল্লেখ কৰিছে। ব্যুৰ’ই লগতে ছৌদি আৰৱ ভ্ৰমণৰ পূৰ্বে সংশ্লিষ্ট কৰ্তৃপক্ষই জাৰি কৰা নিষিদ্ধ ঔষধৰ তালিকা পৰীক্ষা কৰিবলৈ যাত্ৰীসকলক পৰামৰ্শ দিছে।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ সক্ৰীয় শাসন আৰু যিকোনো আঁচনি সময়মতে ৰূপায়ণৰ অন্যতম ব্যৱস্থা **প্ৰগতি** শীৰ্ষক ডিজিটেল প্ৰশাসন মঞ্চই মুখ্য কল্যাণকামী আঁচনি আৰু প্ৰকল্পসমূহৰ ৰূপায়ণ বৃদ্ধি কৰিছে। **প্ৰগতি** পদ্ধতি সন্দৰ্ভত নতুন দিল্লীত কালি সাংবাদিকৰ আগত কেবিনেট সচিব টি বি সোমনাথনে এই কথা প্ৰকাশ কৰি কয়, যে **প্ৰগতি**ৰ বিষয়ত বৰ্তমানলৈকে ৫০ খন বৈঠক অনুষ্ঠিত হৈছে আৰু ইয়াৰ অধীনত ৮৫ লাখ কোটি টকা ব্যয় সাপেক্ষ ৩ হাজাৰ ৩০০ কোটিটা প্ৰকল্পৰ পৰ্যালোচনা কৰা হৈছে। অন্যান্য প্ৰকল্পসমূহৰ উপৰি এখন ৰাষ্ট্ৰ এখন ৰেচন কাৰ্ড আৰু প্ৰধানমন্ত্ৰী জন আৰোগ্য যোজনাকে ধৰি ৬১ খন চৰকাৰী আঁচনিৰো পৰ্যালোচনা কৰা হৈছে বুলি শ্ৰীসোমনাথনে জানিবলৈ দিয়ে। তেওঁ কয়, যে ২০১৫ চনত **প্ৰগতি** ৰূপায়ণৰ পৰা বৰ্তমানলৈকে কৰোণা, বেংক আৰু বীমা, জনধন যোজনাকে ধৰি ৩৬টা বিভিন্ন শাখাত অভিযোগৰ পৰ্যালোচনা কৰা হৈছে।

০০০০০

আছাম ৰাইফলছে ভাৰত-ম্যানমাৰ সীমান্তত অভিযান চলাই কালি বুজন পৰিমাণৰ মেথামফেটামাইন টেবলেটসহ এজন সৰবৰাহকাৰীক আটক কৰে। মাদ্রক দ্রব্যখিনিৰ বজাৰ মূল্য ৩৩ কোটি টকাৰো অধিক হ'ব বুলি আৰক্ষীৰ সূত্ৰত প্ৰকাশ। প্ৰতিৰক্ষা মুখপাত্ৰই জনোৱা মতে ভাৰত-ম্যানমাৰ সীমান্তৰ সমীপত মাদক দ্রব্য সৰবৰাহ সন্দৰ্ভত লাভ কৰা গোপন সূত্ৰৰ ভিত্তিত আছাম ৰাইফলছে মিজোৰাম আৰক্ষীৰ সৈতে ছাইটুৰেল জিলাৰ কাইফাং অঞ্চলত অভিযান চলায়। এই অভিযানত ১১ কিলোগ্ৰামৰো অধিক মেথামফেটামাইন টেবলেট জব্দ কৰা হয়। আছাম ৰাইফলছে লগতে অসমৰ বদৰপুৰ জিলাৰ নিবাসী হাছান আলী নামৰ সৰবৰাহকাৰীজনক আটক কৰি মিজোৰাম আৰক্ষীক গতাই দিয়ে।

ooooo

দিল্লীৰ ইণ্ডিয়া গেটৰ ওচৰত অৱস্থিত মেজৰ ধ্যান চান্দ ষ্টেডিয়ামত তিনিদিনীয়া সাংস্কৃতিক উৎসৱ "দিল্লী শব্দোৎসৱ ২০২৬"ৰ কালি শুভাৰম্ভ হয় । দিল্লীৰ মুখ্যমন্ত্ৰী ৰেখা গুপ্তাই ২ জানুৱাৰীৰ পৰা ৪ জানুৱাৰীলৈ হ'বলগীয়া এই মহোৎসৱৰ উদ্বোধন কৰে। এই অনুষ্ঠানত কেন্দ্ৰীয় ৰাজ্য মন্ত্ৰী হৰ্ষ মালহোত্ৰা, দিল্লীৰ কলা তথা সাংস্কৃতিক মন্ত্ৰী কপিল মিশ্ৰও উপস্থিত থাকে। অনুষ্ঠানটোত কেইবাগৰাকীও সাহিত্যিক, ছাত্ৰ-ছাত্ৰী, পণ্ডিত, শিল্পী আৰু নাগৰিকে অংশগ্ৰহণ কৰে। সভাত ভাষণ দি মুখ্যমন্ত্ৰীগৰাকীয়ে কয় যে এই মহোৎসৱে ভাৰতৰ অতীত, বৰ্তমান আৰু ভৱিষ্যতৰ আলোচনাৰ প্ৰাসংগিক প্ৰতিফলন ঘটায়। দিল্লী শব্দোৎসৱে বৈদিক যুগৰ পৰা ডিজিটেল যুগলৈ ভাৰতৰ যাত্ৰাক প্ৰতিনিধিত্ব কৰে বুলি উল্লেখ কৰি তেওঁ কয় যে ইমান বৃহৎ সাহিত্যিক আৰু সাংস্কৃতিক অনুষ্ঠান পূৰ্বে দিল্লীৰ কোনো চৰকাৰী মঞ্চৰ দ্বাৰা আয়োজন কৰা হোৱা নাছিল। দিল্লীৰ মুখ্যমন্ত্ৰী ৰেখা গুপ্তাই কয় যে এই মহোৎসৱত শাস্ত্ৰীয় নৃত্য পৰিবেশন, ভজন, কবি সন্মিলন আৰু আলোচনাৰ লগতে ৪০খন গ্ৰন্থও উন্মোচন কৰা হ'ব।

ooooo

দক্ষিণ আৰু মধ্য মেক্সিকোত কালি এটা প্ৰবল ভূমিকম্প সংঘটিত হয়। মেক্সিকোৰ ৰাষ্ট্ৰীয় ভূকম্পবিজ্ঞান সংস্থাই জনোৱা মতে, এই ভূমিকম্পৰ প্ৰাৰম্ভিক প্ৰাবল্য আছিল ৬.৫ আৰু ইয়াৰ কেন্দ্ৰবিন্দু আছিল দক্ষিণৰ গুয়েৰেৰো ৰাজ্যৰ ছান মাৰ্কছ চহৰৰ সমীপৰ প্ৰশান্ত মহাসাগৰীয় উপকূলীয় আকাপুলকোৰ ওচৰত। ৰাজ্যখনৰ অসামৰিক প্ৰতিৰক্ষা সংস্থাই আকাপুলকোৰ আশে-পাশে আৰু ৰাজ্যখনৰ অন্যান্য ঘাইপথত হোৱা ভূমিস্খলনৰ কথা সদৰি কৰে। জোকাৰণি আৰম্ভ হোৱাৰ লগে লগে মেক্সিকো চহৰ আৰু আকাপুলকোৰ বাসিন্দা আৰু পৰ্যটকসকলে ৰাজপথলৈ লৰালৰিকৈ ওলাই আহে। আমেৰিকাৰ ভূতাত্ত্বিক জৰীপে জনোৱা মতে, আকাপুলকোৰ পৰা প্ৰায় ৫৭ মাইল উত্তৰ-পূবে পাহাৰত অৱস্থিত গুৱেৰেৰোৰ ৰাঞ্চো ভিজোৰ পৰা ২.৫ মাইল উত্তৰ-পশ্চিমে ২১.৭ মাইল গভীৰতাত এই ভূমিকম্প সংঘটিত হৈছে।

ooooo

ভাৰতৰ বতৰ বিজ্ঞান বিভাগে আজি দিল্লী, হাৰিয়ানা, পঞ্জাব আৰু চণ্ডীগড়ত ঘনৰ পৰা অতি ঘন কুঁৱলীৰ পৰিস্থিতিৰ বাবে ৰেড এলাৰ্ট জাৰি কৰিছে। সংস্থাটোৱে জনোৱা অনুসৰি হিমাচল প্ৰদেশৰ বিচ্ছিন্ন স্থানত শীত প্ৰৱাহ আৰু উত্তৰাখণ্ডত হিমবাহ হোৱাৰ সম্ভাৱনা আছে।

00000

দক্ষিণ আফ্ৰিকাৰ বেননীৰ উইল'মোৰ পাৰ্কত আজি ভাৰত আৰু দক্ষিণ আফ্ৰিকাৰ ১৯ বছৰ অনূৰ্ধ দলৰ মাজত প্ৰথমখন এদিনীয়া আন্তঃৰাষ্ট্ৰীয় খেল অনুষ্ঠিত হ'ব। তিনিখনীয়া শৃংখলাৰ আজি প্ৰথমখন খেল ভাৰতীয় সময় অনুসৰি দিনৰ ডেৰ বজাত আৰম্ভ হ'ব। অহা ১৫ জানুৱাৰীৰ পৰা হ'বলগীয়া আই চি চি ১৯ বছৰ অনূৰ্ধ বিশ্বকাপৰ পূৰ্বে এই শৃংখলা দুয়োটা দলৰ বাবে উপযুক্ত প্ৰস্তুতিমূলক খেল হিচাপে বিবেচিত হ'ব। বৈভৱ সূৰ্যবংশীয়ে ভাৰতীয় দলটোক নেতৃত্ব দিব।

00000

ৰাজস্থান আৰক্ষীয়ে কালি শ্ৰীগংগানগৰত চোৰাংভাৱে সৰবৰাহ হৈ থকা ২০ কোটি টকাৰ মাদক দ্ৰব্য জব্দ কৰাৰ লগতে তিনিজন সৰবৰাহকাৰীক গ্ৰেপ্তাৰ কৰে। শ্ৰীগংগানগৰৰ আৰক্ষী অধীক্ষক অমৃতা দুহানে কালি এই আৰক্ষী অভিযানৰ সবিশেষ প্ৰকাশ কৰে। আৰক্ষী অধীক্ষকগৰাকীয়ে জনোৱা মতে, পাকিস্তানৰ পৰা ড্ৰ'ন যোগে এই মাদক দ্ৰব্য সৰবৰাহ কৰা হৈছিল। ইতিমধ্যে তিনিওজন অভিযুক্তৰ বিৰুদ্ধে এন ডি পি এছ আইনৰ অধীনত গোচৰ ৰুজু কৰা হৈছে।

00000

ই-প্ৰশাসন ২০২৬ৰ ৰাষ্ট্ৰীয় বঁটাৰ বাবে মুঠ ৮০২খন মনোনয়ন লাভ কৰা হৈছে। ই-প্ৰশাসনৰ ৰূপায়ণৰ পদক্ষেপসমূহ তথা ইয়াৰ স্বীকৃতি আৰু উৎকৃষ্টতা প্ৰসাৰ কৰাৰ বাবে এই ৰাষ্ট্ৰীয় বঁটা প্ৰদান কৰা হয়। চলিত বৰ্ষত ৭টা পৰ্যায়ত এই বঁটা প্ৰদান কৰা হ'ব বুলি কৰ্মচাৰী, ৰাজহুৱা ওজৰ আপত্তি আৰু পেঞ্চন মন্ত্ৰালয়ে প্ৰকাশ কৰিছে।

00000

সমাপ্ত